হিন্দুজা লিলেণ্ড ফাইনেঞ্চ

প্ৰতি

......................................................

......................................................

......................................................

মহোদয়/মহোদয়া,

প্ৰসঙ্গ ঃ ...................................... জামিনৰ বিনিময়ত ঋণ লোৱাৰ বাবে আপুনি দিয়া আবেদন পত্ৰখন সম্পৰ্কে আপোনাক আনন্দেৰে জনাব খোঁজো যে তলত দিয়া প্ৰধান চৰ্তসমূহ মানি চলা সাপেক্ষে আপোনালৈ ঋণ আগবঢ়োৱা হৈছে।

| | | |
|---|---|---|
| ১ | ঋণ পৰিশোধৰ সময়সীমা | ..................... মাহ |
| ২ | সুতৰ হাৰ | ................% প্ৰতিমাহে<br>(মাহেকীয়া ভিত্তিত) |
| ৩ | | ................% বছৰি<br>(বছৰেকীয়া হিচাবৰ ভিত্তিত) |
| ৪ | কিস্তিৰ সংখ্যা | .................................. |
| ৫ | প্ৰথম কিস্তি দিয়াৰ তাৰিখ | লগে লগে/................... দিনৰ পিছত |
| | (ক) বিতৰণ পূৰ্ব মাচুল<br>ষ্টাম্প ডিউটি | ................. টকা |
| | (খ) ডকুমেণ্ট মাচুল<br>প্ৰস্তুতি মাচুল - ১০ লাখ টকাৰ তলত | ............................... টকা |
| | প্ৰস্তুতি মাচুল - ১০ লাখ টকাৰ উৰ্দ্ধত | ............................... টকা |
| | অন্যান্য | ............................... টকা |
| | (গ) খাৰিজ মাচুল (যদি ঋণৰ প্ৰস্তাৱ প্ৰত্যাহাৰ কৰা হয়) | ............................... টকা |
| ৬ | অন্যান্য প্ৰকাৰে দিবলগীয়া সেৱা কৰ | ............................... টকা |

ইয়াৰ লগত সন্নিৱিষ্ট কৰা চৰ্তসমূহৰ প্ৰতি আপোনাৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল। আপুনি এই চুক্তিপত্ৰৰ চৰ্তসমূহ আৰু অন্যান্য আৱশ্যকীয় দলিল/কাগজপত্ৰত চহী কৰিব বুলি ভাবি আপোনালৈ এই ঋণ আগবঢ়োৱা হ'ল।

অনুগ্ৰহ কৰি মনত ৰাখিব যে এই চৰ্ত মাথোন অহা ১০ দিনলৈ বলবৎ থাকিব।

আপোনাৰ সন্মতি প্ৰকাশ কৰিবলৈ অনুগ্ৰহ কৰি ইয়াৰ প্ৰতিলিপিত স্বাক্ষৰ কৰিব।

পুনৰ ধন্যবাদেৰে

এই চুক্তিপত্ৰৰ চৰ্তসমূহ মানি চলাৰ অঙ্গীকাৰেৰে ইয়াৰ প্ৰতিলিপিত স্বাক্ষৰ কৰিলো

হিন্দুজা লিলেণ্ড ফাইনেঞ্চ লিমিটেডৰ হৈঃ

স্বাঃ স্বাঃ ঋণগ্ৰহীতা স্বাঃ জামিনদাৰ

(কৰ্তৃত্বপ্ৰাপ্ত বিষয়া)

এই ঋণৰ বাবে দিবলগীয়া সুতৰ হাৰ হিন্দুজা ফাইনেঞ্চে ফাণ্ডৰ খৰচ, মাৰ্জিন, ৰিস্ক্ প্ৰিমিয়াম আদি ক্ষেত্ৰৰ ওপৰত সমীক্ষা চলাই ধাৰ্য্য কৰা হৈছে। এই বিষয়ত আমি এক সামুহিক দৃষ্টিভঙ্গী অৱলম্বন কৰো আৰু সুতৰ হাৰৰ ক্ষেত্ৰত কোনো ভেদাভেদ নকৰো। ঋণ দিয়া, তাৰ ওপৰত সুত ধাৰ্য্য কৰা আদি ক্ষেত্ৰত প্ৰতিটো আবেদনকে সুকীয়া সুকীয়া ভাবে পৰ্য্যবেক্ষণ কৰা হয় আৰু এই ক্ষেত্ৰত ঋণগ্ৰহীতাৰ আৰ্থিক অৱস্থা (বিগত, বৰ্তমান ও ভৱিষ্যৎ), তেওঁৰ অন্যান্য আৰ্থিক দায়িত্ব। তেওঁৰ আৰ্থিক দায়বদ্ধতা, ঋণৰ বিৰুদ্ধে যোগান ধৰা জামিন আদি গুৰুত্ব সহকাৰে বিবেচনা কৰি এক সিদ্ধান্তত উপনীত হোৱা যায়।

**হিন্দুজা লিলেণ্ড ফাইনেঞ্চ লিমিটেড**

১৬৭-১৬৯, তৃতীয় মহলা, আন্না সলাই, চাইদাপেট, চেন্নাই - ৬০০০১৫

www.hindujaleylandfinanceco.com
PAN - AACCH1807P

# তপশীল - ১ (ক)

| ক্রমিক সংখ্যা | বিৱৰণ | মাচুল (সেৱা কৰৰ সৈতে)<br>Service Tax Regn. No. AACCH1807PSD001 |
|---|---|---|
| 1. | চেক সংগ্ৰহৰ মাচুল | |
| 2. | PDS/ECS নথকা ক্ষেত্ৰত সংগ্ৰহ মাচুল | ঋণদাতাই ধাৰ্য্য কৰা মতে, নূন্যতম ২০০/- টকা প্ৰতি কিস্তিত |
| 3. | চেক/ECS প্ৰত্যাখ্যানৰ মাচুল | ঋণদাতাৰ বেঙ্কে ধাৰ্য্য কৰা মতে, প্ৰতি প্ৰত্যাখ্যানৰ ক্ষেত্ৰত নূন্যতম ২৫০/- টকা |
| 4. | নিযুক্তিকৰণ ডকুমেণ্টৰ বাবে মাচুল<br>Processing fee | ৭৫০.০০ টকা<br>নিযুক্তিকৰণৰ সময়ত বাকী থকা ৰাশিৰ এক শতাংশ |
| 5. | পুনৰ গ্ৰহণ<br>(সম্পত্তি পুনৰ গ্ৰহণ/বাজেয়াপ্ত কৰাৰ সময়ত হোৱা খৰচৰ বাহিৰেও এজেণ্টক আদায় দিয়া/আদায় দিবলগীয়া ৰাশি) ঃ<br>(ক) ষ্টপিং মাচুল (প্ৰতি ক্ষেত্ৰত)<br>লঘু বাণিজ্যিক বাহন/গাড়ী<br>তিনিচকীয়া বাহন<br>বাণিজ্যিক বাহন/যন্ত্ৰপাতি<br>(খ) পাৰ্কিং মাচুল (প্ৰতিদিনৰ হিচাবত)<br>লঘু বাণিজ্যিক বাহন/গাড়ী<br>তিনিচকীয়া বাহন<br>বাণিজ্যিক বাহন/যন্ত্ৰপাতি | — টকা - ৭,০০০<br>— টকা - ৪,০০০<br>— টকা - ১৫,০০০<br>} + প্ৰকৃত খৰচ<br>— টকা - ১০০<br>— টকা - ৭৫<br>— টকা - ১৫০<br>} + প্ৰকৃত খৰচ |
| 6. | ভ্ৰমণ বানচ (প্ৰতিমাহত) + মাহটোত দ্বিতীয় বাৰ পৰিদৰ্শন | ৫০০ টকা প্ৰতিবাৰ |
| 7. | ডুপ্লিকেট সমাপ্তিপত্ৰৰ যোগানৰ মাচুল | ৫০০ টকা |
| 8. | টকা পইচা লেনদেনৰ মাচুল | ২০০০ টকালৈকে-শূণ্য; ২০০১ টকাৰ পৰা ১০০০০ লৈকে ১০ টকা; ১০০০০ৰ পৰা ৫০০০০ লৈকে - ২০ টকা; ৫০,০০১ৰ পৰা এক লাখলৈকে ৫০ টকা; এক লাখৰ ওপৰত হ'লে প্ৰতিলাখত ১০০ টকা (সৰ্বাধিক ১০,০০০ টকা) |
| 9. | ঋণগ্ৰহীতাৰ কিস্তিৰ ৰাশি আদিৰ পৰিৱৰ্তন | বৰ্তমানে নাই। |
| 10. | হিচাবৰ প্ৰতিবেদন দাখিল (দ্বিতীয়বাৰ) | বৰ্তমানে নাই। |
| 11. | RTO লৈ জাৰী কৰা আপত্তি বিহীন পত্ৰ/শংসাপত্ৰ (No-objection) | বৰ্তমানে নাই। |
| 12. | চেক সলনা-সলনিকৰণ (প্ৰতিবাৰ) | ২৫০ টকা। |
| 13. | ঋণগ্ৰহীতাৰ অনুৰোধ মৰ্ম্মে চুক্তিৰ চৰ্ত সংশোধন/নবীকৰণ কৰা (প্ৰতিক্ষেত্ৰত) | বৰ্তমানে নাই। |
| 14. | ঋণগ্ৰহীতাৰ অনুৰোধ মৰ্ম্মে Invoiceৰ কপি যোগান ধৰা | বৰ্তমানে নাই। |
| 15. | ঋণগ্ৰহীতাৰ নামত Registration Certificate স্থানান্তৰ কৰা ও Registration Certificateত বন্ধকীনামাৰ উল্লেখ কৰা | বৰ্তমানে নাই। |

হিন্দুজা লিলেণ্ড ফাইনেঞ্চ লিমিটেডৰ তৰফে

কৰ্তৃত্বপ্ৰাপ্ত বিষয়া ঋণগ্ৰহীতা জামিনদাৰ

# -ঃ স্বৰ্ত্তসমূহ ঃ-

**অনুচ্ছেদ ১**
**সংজ্ঞা**

**১.১ এই চুক্তিপত্ৰৰ আনুষাঙ্গিক কথাবোৰে অন্য অৰ্থ প্ৰকাশ নকৰিলে**

(ক) "প্ৰথম তপশীল" ও "দ্বিতীয় তপশীল" শব্দবোৰে এই চুক্তিপত্ৰৰ প্ৰথম ও দ্বিতীয় তপশীলক বুজাব।

(খ) "ঋণ" শব্দই চুক্তিপত্ৰৰ অনুচ্ছেদ সংখ্যা ২.১ ও প্ৰথম তপশীলত উল্লেখিত ঋণক বুজাব।

(গ) "পৰিশোধ" শব্দই ঋণৰ মূলধন ও ইয়াৰ ওপৰত দিবলগীয়া সুত পৰিশোধ, প্ৰতিশ্ৰুত ধন, বীমাৰ কিস্তি বা চুক্তিপত্ৰৰ প্ৰাৱধান অনুযায়ী ঋণদাতাক দিবলগীয়া ধন আৰু বিশেষকৈ চুক্তিপত্ৰৰ ২.৯ অনুচ্ছেদত বিবৃত প্ৰতিপূৰক নিধি স্থাপনৰ জৰিয়তে ঋণ পৰিশোধ কৰাকে বুজাব।

(ঘ) "আগতীয়া পৰিশোধ" শব্দই চুক্তিৰ স্বৰ্ত্তানুযায়ী ঋণৰাশিৰ আগতীয়া পৰিশোধক বুজাব।

(ঙ) "বিশেষ সম্পত্তি" বা "উক্ত বিশেষ সম্পত্তি" (asset) শব্দই ঋণদাতাৰ দ্বাৰা প্ৰদত্ত ঋণৰ সহায়েৰে ঋণগ্ৰহীতাই ক্ৰয় কৰা ঋণদাতাৰ ওচৰত জামিন হিচাবে বন্ধকত থোৱা বাহন বা যন্ত্ৰক বুজাব।

(চ) "সুতৰ হাৰ" শব্দই চুক্তিপত্ৰৰ ২.২ অনুচ্ছেদত উদ্ধৃত সুতৰ হাৰক বুজাব।

(ছ) "কিস্তি" শব্দই ঋণৰ ৰাশি ও ইয়াৰ ওপৰত দিবলগীয়া সুত নিৰ্ধাৰিত ম্যাদৰ ভিতৰত পৰিশোধ কৰাৰ লক্ষ্যত দ্বিতীয় তপশীলত বৰ্ণিত নিয়মিতভাৱে দিবলগীয়া মাহেকীয়া কিস্তিৰ ধনক বুজাব।

(জ) "অগ্ৰিম তাৰিখযুক্ত চেক" (Post-dated cheque বা PCDS) শব্দই ঋণগ্ৰহীতাই ঋণৰ ধন পৰিশোধ কৰাৰ লক্ষ্যত ঋণদাতাৰ নামত জাৰী কৰা অগ্ৰিম তাৰিখযুক্ত চেকক বুজাব।

১.২ "ঋণগ্ৰহীতা" শব্দই প্ৰসংগ অনুসৰি ঋণ লোৱা ব্যক্তি বা সংগঠনক বুজাব।

১.৩ ইয়াতে ব্যাখ্যা নকৰা শব্দ বা অভিব্যক্তিবোৰৰ সংজ্ঞা বা অৰ্থ General Clauses Act, 1897 অনুসৰি ব্যাখ্যা কৰা হ'ব।

১.৪ প্ৰসঙ্গত অইন অৰ্থ নুবুজালে একবচনত ব্যৱহাৰ কৰা সকলো শব্দই বহুবচন অৰ্থত ব্যৱহাৰ হ'ব আৰু কোনো বিশেষ লিঙ্গৰ উল্লেখ থাকিলেও সেয়া সকলো লিঙ্গকেই বুজাব।

**অনুচ্ছেদ ২**
**ঋণ, সুত আদি**

**২.১ ঋণৰ পৰিমাণ ও সময়সীমা**

(ক) নিৰ্ধাৰিত চৰ্তসাপেক্ষে ঋণদাতাই ঋণগ্ৰহীতাক প্ৰথম তপশীলত বৰ্ণিত সম্পত্তি ক্ৰয় কৰাৰ উদ্দেশ্যে ঋণ আগবঢ়াবলৈ সন্মতি প্ৰকাশ কৰিছে।

(খ) চুক্তিমতে আগবঢ়োৱা ঋণৰ ম্যাদ প্ৰথম তপশীলত বৰ্ণিত সময়সীমা মতে হ'ব আৰু দ্বিতীয় তপশীলত উল্লেখিত তাৰিখৰ পৰা বলবৎ হ'ব।

**২.২ সুত**

ঋণৰাশিৰ পৰিশোধ কৰিবলগীয়া ধন, অনাদায়ী সুত আৰু অন্যান্য আনুষঙ্গিক খৰচ আদিৰ ওপৰত প্ৰথম তপশীলত উল্লেখিত হাৰত সুত আদায় দিব লাগিব।

**২.৩ সুতৰ পৰিমাণ নিৰ্ধাৰণ**

(ক) প্ৰথম তপশীলত উল্লেখিত সুতৰ হাৰ ঋণ সম্পৰ্ণৰূপে পৰিশোধ নকৰা পৰ্য্যন্ত অপৰিৱৰ্ত্তিত থাকিব, যদিহে ভাৰতীয় ৰিজাৰ্ভ বেঙ্ক, নাইবা অইন কোনো নিয়ন্ত্ৰক সংস্থা নাইবা কোনো অপৰিহাৰ্য্য পৰিস্থিতিৰ কাৰণে ইয়াক পৰিৱৰ্ত্তন কৰিবলগীয়া নহয়, এনে পৰিস্থিতিত প্ৰথম তপশীলত নিৰ্দ্দিষ্ট সুতৰ হাৰ উল্লেখিত থাকিলেও ঋণগ্ৰহীতাই পৰিৱৰ্ত্তিত পৰিস্থিৰি লগত সঙ্গতি বজায় ৰাখি নতুনকৈ ধাৰ্য্য কৰা হাৰত সুত আদায় দিব লাগিব আৰু ঋণচুক্তিখনকো পৰিৱৰ্ত্তিত ৰূপত নিৰ্ধাৰিত হোৱা বুলি গণ্য কৰিব লাগিব।

(খ) ঋণগ্ৰহীতাই আদায় দিবলগীয়া সুতৰ ওপৰত কেন্দ্ৰ বা ৰাজ্য চৰকাৰে ধাৰ্য্য কৰা নিৰিখত কৰ আদায় কৰিব লাগিব আৰু ঋণদাতাৰ পৰা পোৱা জাননী অনুসৰি ঋণগ্ৰহীতাই এনে কৰ আদায় দিব লাগিব।

**২.৪ ঋণ বিতৰণৰ বিশদ প্ৰক্ৰিয়া**

ঋণগ্ৰহীতাৰ নিৰ্দ্দেশমতে ঋণদাতাই তেওঁলৈ আগবঢ়োৱা ঋণ বিতৰণৰ ব্যৱস্থা কৰিব। অৱশ্যে, ঋণ চুক্তিৰ আধাৰত ঋণ বিতৰণৰ ক্ষেত্ৰত ঋণদাতাই চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিব, আৰু এনে ব্যৱস্থাই ঋণ বিতৰণ ব্যৱস্থাৰ অংশ বুলি গণ্য হ'ব। নতুন সম্পত্তি ক্ৰয়ৰ ক্ষেত্ৰত, ঋণদাতাৰ ইচ্ছানুসৰি ঋণৰাশি পোনপটীয়াভাৱে উৎপাদক/ডীলাৰৰ নামত আদায় দিব পৰা যাব আৰু সেয়া হ'লে ঋণ বিতৰণ কৰাকে বুজাব, পূৰ্বে ব্যৱহৃত সম্পত্তি ক্ৰয় কৰাৰ ক্ষেত্ৰত ঋণদাতাই ঋণগ্ৰহীতাৰ ইচ্ছানুসৰি উক্ত সম্পত্তিৰ মালিক নাইবা ডীলাৰ নাইবা ঋণগ্ৰহীতাক ঋণৰাশি প্ৰদান কৰিব আৰু সেয়া হ'লে ঋণ বিতৰণ কৰাকে বুজাব।

**২.৫ ঋণ বিতৰণৰ পদ্ধতি**

চুক্তিমতে ঋণদাতাই ঋণগ্ৰহীতাক আদায় দিবলগীয়া ঋণৰ সকলো ৰাশি 'Cross-cheque marked A/c Payee only' বা ডিমাণ্ড ড্ৰাফ্‌ট্ বা ভাৰতীয় বেঙ্কিং ব্যৱস্থাৰ দ্বাৰা স্বীকৃত যিকোনো অন্য উপায়েৰে প্ৰদান কৰিব, আৰু এইক্ষেত্ৰত ঋণদাতাই চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিব। এইক্ষেত্ৰত হ'বলগীয়া সকলো খৰচ ঋণগ্ৰহীতাই বহন কৰিব লাগিব, আৰু এই ক্ষেত্ৰত ঋণগ্ৰহীতা বা তেওঁৰ বেঙ্কে চেক পঠোৱা/সংগ্ৰহ/আদায়ৰ ক্ষেত্ৰত হোৱা দেৰীৰ বাবে ঋণদাতাক জগৰীয়া কৰিব নোৱাৰিব।

**২.৬ ঋণ বিতৰণৰ চৰ্ত**

চুক্তিপত্ৰত সন্নিৱিষ্ট চৰ্তসমূহৰ উলংঘা নকৰাকৈ, ঋণদাতাই জাননীৰ যোগেদি ঋণগ্ৰহীতালৈ দিবলগীয়া ঋণৰ বাকী থকা পৰিমাণ প্ৰদান কৰিবলৈ অস্বীকাৰ কৰিব পাৰিব, যদিও এনে কাৰ্য্যই ঋণ চুক্তি নাকচ হোৱাটো নুবুজাব।

**২.৭ হিচাবৰ বিবৃতি প্ৰদান**

ঋণদাতাই ইচ্ছা কৰিলে প্ৰতিবছৰ ৩১ মাৰ্চলৈকে সময়াবধিৰ কাৰমে ঋণগ্ৰহীতালৈ ঋণৰ আদায়ীকৃত ৰাশি, অনাদায়ী ৰাশি, সুতৰ পৰিমাণ আদি হিচাব সম্বলিত বিবৃতি প্ৰেৰণ কৰিব পাৰিব। ঋণগ্ৰহীতাই তেনে বিবৃতি জাৰী কৰাৰ ১৫ দিনৰ ভিতৰত ইয়াক নোপোৱা সম্পৰ্কে নজনালে বা বিবৃতিত দিয়া হিচাবৰ বিসঙ্গতিৰ বিষয়ে নজনালে তেওঁ উক্ত বিবৃতি পোৱা আৰু বিবৃতিত দিয়া হিচাব ঠিকেই আছে বুলি ধৰি লোৱা হ'ব।

**২.৮ ঋণৰ পৰিশোধ প্ৰক্ৰিয়া**

(ক) তপশীলত দেখুওৱা ধৰণে ঋণগ্ৰহীতাই ঋণ আবেদনৰ সৈতে Process fee আদায় দিব। ঋণদাতাই ঋণ মঞ্জুৰ কৰাৰ আগলৈকে যদি ঋণগ্ৰহীতাই ঋণ ল'বলৈ অস্বীকাৰ কৰে, তেন্তে ঋণগ্ৰহীতাই উক্ত Process feeৰ ৰাশি ঘূৰাই ল'ব পাৰিব।

**২.৯ ঋণ পৰিশোধৰ প্ৰক্ৰিয়া**

(ক) ঋণগ্ৰহীতাই নিৰ্ধাৰিত কিস্তিমতে ঋণৰ মূলৰাশি ও সুত আদায় দিব লাগিব। কিস্তিৰ সংখ্যা, আদায় দিয়াৰ তাৰিখ, দিবলগীয়া ৰাশি আদি সকলো কথা দ্বিতীয় তপশীলত স্পষ্টকৈ উল্লেখ কৰা থাকিব। অন্যান্য প্ৰকাৰে আদায় দিবলগীয়া ৰাশিৰ সৈতে ঋণৰ সম্পূৰ্ণ টকা আদায় দিয়াৰ ক্ষেত্ৰত ঋণদাতাৰ বিবেচনাহে গ্ৰাহ্য হ'ব আৰু সেইমতে ঋণদাতাই ঋণগ্ৰহীতাই আদায় দিবলগীয়া ৰাশি সম্পৰ্কীয় কিস্তি, সুতৰ হাৰ আদি নিৰ্ধাৰণ কৰিব। যদি কেতিয়াবা দেখা যায় যে ঋণ আদায় সম্পৰ্কীয় কিস্তিৰ ৰাশি নিৰ্ধাৰণ কৰোতে কিবা ভুল হৈছে তেন্তে উক্ত ভুল সংশোধন কৰি নতুনকৈ কিস্তি নিৰ্ধাৰণ কৰাৰ অধিকাৰ ঋণদাতাৰ থাকিব। দ্বিতীয় তপশীলত উল্লেখিত মতে কিস্তিৰ ধন আদায় দিব লাগিব।

(খ) ঋণগ্ৰহীতাই ঋণৰ ক্ষেত্ৰত সময়ৰ ভূমিকা সম্বন্ধে সচেতন থাকিব।

(গ) ডীলাৰে/উৎপাদকে ঋণগ্ৰহীতাক বাহন সমঝাই দিয়ক বা নিদিয়ক, নাইবা ঋণগ্ৰহীতাৰ ডীলাৰ/উৎপাদকৰ লগত কোনো বিবাদ/আপত্তি/প্ৰতিবাব/অভিযোগ থাকক বা নেথাকক, নাইবা বাহন সমঝাই দিয়াক লৈ দুয়োপক্ষৰ মাজত কোনো হওক বা নহওক কিয়, ঋণগ্ৰহীতাই আদায় দিবলগীয়া কিস্তিৰ ৰাশি প্ৰদানৰ কাম নিৰ্ধাৰিত সময়তে আৰম্ভ হ'ব আৰু সম্পূৰ্ণ ৰাশি আদায় নোহোৱালৈকে চলি থাকিব।

(ঘ) ঋণগ্ৰহীতাই নিৰ্দ্দিষ্ট তাৰিখত কিস্তিৰ ধন আদায় দিয়া সম্পৰ্কে তেওঁলৈ কোনো ধৰণৰ জাননী আদি কৰা নহ'ব। নিৰ্ধাৰিত কিস্তিৰ ধন নিয়মীয়াকৈ আদায় দিয়াৰ দায়িত্ব সম্পূৰ্ণৰূপে ঋণগ্ৰহীতাৰ ওপৰতে ন্যস্ত থাকিব।

(ঙ) চুক্তিপত্ৰত সন্নিৱিষ্ট অন্যান্য অধিকাৰ বা প্ৰতিকাৰৰ ক্ষমতা থকাৰ ওপৰিও, ঋণদাতাই ঋণৰ কিস্তি পলমকৈ আদায় দিলে বা আদায়ৰ ক্ষেত্ৰত অনিয়মীয়া হ'লে, ঋণগ্ৰহীতাৰ পৰা ওপৰঞ্চি সুত আদায় কৰিব পাৰিব, কিন্তু এনে ওপৰঞ্চি সুত আদায়ৰ জৰিয়তে ঋণগ্ৰহীতাই দিবলগীয়া নিয়মীয়া কিস্তি, সুত আদিৰ ওপৰত কোনো ৰেহাই বিচাৰিব নোৱাৰিব।

(চ) বাকী থকা ৰাশি বা সুত নিৰ্ধাৰণৰ ক্ষেত্ৰত কোনো বিৰোধ উপস্থিত হ'লেও ঋণগ্ৰহীতাই তেওঁ নিয়মীয়াকৈ আদায় দিবলগীয়া কিস্তি পৰিশোধ নকৰাকৈ থাকিব নোৱাৰিব।

**২.১০ কিস্তি আদায়ৰ প্ৰক্ৰিয়া**

(ক) তলত দিয়া চৰ্ত্ত সাপেক্ষে গাড়ী/জীপ আদিৰ ক্ষেত্ৰত পৰিশোধ কৰিবলগীয়া ধন সাধাৰণতে PDS/ECS পদ্ধতিৰে আদায় দিব লাগিব। অন্যান্য বাহনৰ ক্ষেত্ৰত পৰিশোধ কৰিবলগীয়া ধন PDS/ECS পদ্ধতিৰ ওপৰিও নগদে বা ডিমাণ্ড ড্ৰাফ্‌ট্‌ৰ জৰিয়তে দ্বিতীয় তপশীলত উল্লেখিত তাৰিখত আদায় দিব লাগিব। ঋণগ্ৰহীতাই এই কথা অনুভৱ কৰিব লাগিব যে ঋণ পৰিশোধৰ স্বৰ্ত্তসমূহ কঠোৰভাৱে মানি চলাৰ স্বৰ্ত্ততে তেওঁলৈ ঋণ আগবঢ়োৱা হৈছে।

(খ) ঋণগ্ৰহীতাই জাৰী কৰা PDS বা বীমা কিস্তিৰ চেকসমূহ বেঙ্কলৈ পেচ কৰাৰ পূৰ্বে ঋণদাতাই ঋণগ্ৰহীতাক কোনো জাননী বা সংবাদ আদি প্ৰেৰণ নকৰিব।

(গ) যদি ২.১০ত উল্লেখিত ঋণগ্ৰহীতাই ঋণদাতাৰ পক্ষে জাৰী কৰা PDS চেকসমূহৰ কোনো এখন নাইবা গোটেই কেইখন

(i) ঋণদাতাৰ জিম্মাত থকা অৱস্থাত হেৰাই যায়/নষ্ট হয়/নিখোঁজ হয়;

(ii) ঋণগ্ৰহীতাৰ মৃত্যু/দেউলিয়াপনা/মস্তিষ্ক বিকৃতি/কৰ্মচ্যুতি আদি কাৰণত নাইবা ঋণগ্ৰহীতাৰ বেঙ্কৰ ওপৰত জাৰী কৰা নিষেধাজ্ঞাৰ ফলত ঋণৰ কিস্তি আদায় কৰিব পৰা নেযায়, তেন্তে তেনে অৱস্থা হোৱাৰ লগে লগে ঋণদাতাই জাৰী কৰা জাননী মৰ্ম্মে ঋণগ্ৰহীতাই নতুনকৈ চেক আদি জাৰী কৰিব লাগিব নাইবা উক্ত ঋণ পৰিশোধৰ অৰ্থে অন্য ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

(ঘ) যিকোনো কাৰণবশতঃ যদি ঋণদাতাই ঋণগ্ৰহীতাই জাৰী কৰা চেকসমূহ নগদীকৰণৰ বাবে বেঙ্কত পেচ নকৰে, তেন্তে ঋণগ্ৰহীতাৰ দায়বদ্ধতা শেষ হৈ নেযায় এই কথা ঋণগ্ৰহীতাই সম্যকৰূপে অৱগত আছে। ঋণ শোধৰ উদ্দেশ্যে ঋণগ্ৰহীতাই জাৰী কৰা চেকসমূহ নগদীকৰণ, আৰু এইবিলাকৰ সুৰক্ষা আদিৰ ক্ষেত্ৰত হোৱা অসুবিধাৰ বাবে ঋণগ্ৰহিতাই কোনোমতেই ঋণদাতাক দায়ী কৰিব নোৱাৰিব।

(ঙ) এই চুক্তিপত্ৰৰ অধীনত বা অন্য কোনো প্ৰচলিত আইনৰ বিধান উলংঘা নকৰাকৈ ঋণগ্ৰহীতাই প্ৰথমবাৰৰ বাবে চেক প্ৰত্যাখ্যানৰ বাবে প্ৰথম তপশীলত বৰ্ণিত মতে জৰিমনা ধন আদায় দিব লাগিব। দ্বিতীয়বাৰৰ বাবেও তেনেকুৱা চেকৰ ৰাশিৰ নগদীকৰণ প্ৰত্যাখ্যাত হ'লে, প্ৰথম তপশীলত বৰ্ণিত মতে পুনৰবাৰ জৰিমনা ধাৰ্য্য কৰিব। এনেদৰে দিবলগীয়া জৰিমনাৰ পৰিমাণ (প্ৰথমবাৰ ও দ্বিতীয়বাৰ প্ৰত্যাখ্যানৰ ক্ষেত্ৰত) (প্ৰথম তপশীলত নিৰ্ধাৰণ কৰা আছে)। চেক নগদীকৰণৰ বাবে পেচ কৰাৰ পিছত তাক প্ৰত্যাখ্যানৰ ক্ষেত্ৰত ধাৰ্য্য কৰিবলগীয়া জৰিমনা ধন আদায় কৰাৰ ক্ষমতা Negotiable Instruments Act (সময়ে সময়ে পৰিৱৰ্তিত ও পৰিবৰ্ধিত), ১৮৮৮ৰ অধীনত ঋণগ্ৰহীতাৰ থাকিব।

(চ) যদি PDSৰ পৰিৱৰ্তে অন্য কোনো পদ্ধতিত ঋণৰ কিস্তি আদায় কৰা হয়, তেনে ক্ষেত্ৰত ঋণৰ কিস্তি অনাদায়ী হৈ থাকিলে ঋণগ্ৰহীতাই ঋণদাতা কৰ্তৃক ধাৰ্য্য ও প্ৰথম তপশীলত উল্লেখিত মতে জৰিমনা আদায় দিবলৈ বাধ্য থাকিব।

(ছ) এই চুক্তিপত্ৰৰ ১(ক) তপশীলত উল্লেখিত মতে ঋণগ্ৰহীতাই ভ্ৰমণৰ খৰচ ও অন্যান্য প্ৰকাৰে দাবী কৰা ধন আদায় দিবলৈ বাধ্য থাকিব।

(জ) চুক্তিপত্ৰৰ ১ম ও ১(ক) তপশীলত বৰ্ণিত ধনৰ পৰিমাণ ঋণগ্ৰহীতাৰ অজাতি সাপেক্ষে পৰিৱৰ্তনযোগ্য ও এনেকুৱা পৰিৱৰ্তিত ৰাশি ঋণগ্ৰহীতাক জনোৱা দিনৰ পৰাই কাৰ্য্যকৰী হ'ব।

**২.১১ কিস্তিৰ পৰিমাণৰ পৰিৱৰ্তন ও পুনৰ্নিৰ্ধাৰণ**

পৰিৱৰ্তিত পৰিস্থিতিৰ সাপেক্ষে ঋণদাতাই ঋণগ্ৰহীতাই দিবলগীয়া কিস্তিৰ ৰাশিৰ পৰিৱৰ্তন বা পুনৰ্নিৰ্ধাৰণ কৰিব পাৰিব আৰু তেনেক্ষেত্ৰত ঋণদাতাই ঋণগ্ৰহীতাক এনেকুৱা পৰিৱৰ্তন বা পুনৰ্নিৰ্ধাৰণৰ বিষয়ে জনাব আৰু ঋণগ্ৰহিতাই তেনে নতুনকৈ ধাৰ্য্য নিৰিখত কিস্তি আদায় কৰিব লাগিব।

২.১২ ঋণদাতাৰ লগত হোৱা এই চুক্তিপত্ৰ বা ভৱিষ্যতে সম্পাদিত হ'বলগীয়া অন্য যিকোনো চুক্তিপত্ৰৰ স্বৰ্ত্তসমূহ মানি চলাৰ আৰু সুতসহ ঋণৰ সম্পূৰ্ণ ৰাশি আদায় দিয়াৰ দায়িত্ব ঋণগ্ৰহীতাৰ ওপৰত ন্যস্ত থাকিব আৰু ইয়াৰ অন্যথা হ'লে ঋণদাতাই ঋণগ্ৰহীতালৈ আগবঢ়োৱা ঋণ, ইয়াৰ ওপৰত দিবলগীয়া সুত আৰু অন্যান্য ওপৰঞ্চি ৰাশি যেনে জৰিমনা আদি সম্পূৰ্ণৰূপে আদায় কৰাৰ অধিকাৰ ঋণদাতাৰ থাকিব।

**অনুচ্ছেদ ৩**

**জামানত**

৩.১ এই চুক্তিপত্ৰত উল্লেখিত স্বৰ্ত্তসাপেক্ষে ঋণদাতাই ঋণগ্ৰহীতাক ঋণ আগবঢ়াবলৈ সন্মত হোৱাৰ পৰিপ্ৰেক্ষিতত, ঋণগ্ৰহীতাই সংশ্লিষ্ট সম্পত্তি, আৰু ইয়াৰ লগত জড়িত অন্যান্য আনুষঙ্গিক বস্তুবোৰ, আৰু প্ৰথম তপশীলত বৰ্ণিত ভৱিষ্যতে কৰিবলগীয়া নবীকৰণ, পুণৰ্সংস্থাপন আদি সকলোবোৰ ঋণদাতাৰ ওচৰত বন্ধক ৰাখিব। এই সম্পৰ্কে ঋণগ্ৰহীতাই ঋণদাতাৰ বৰাবৰে এখনি অপৰিৱৰ্তনীয় Power of Attorney সম্পাদন কৰিব লাগিব। ইয়াৰোপৰিও ঋণদাতাই সময়ে সময়ে বন্ধকত দিয়া সামগ্ৰী সম্পৰ্কিত প্ৰস্তুত কাগজপত্ৰত ঋণগ্ৰহীতাই চহী দিবলৈ বাধ্য থাকিব।

৩.২ এই বন্ধকী প্ৰক্ৰিয়া চুক্তিপত্ৰ স্বাক্ষৰিত হোৱাৰ লগে লগে নাইবা সম্পত্তিৰ হস্তান্তৰৰ লগে লগে কাৰ্য্যক্ষম হ'ব।

৩.৩ এইদৰে বন্ধকত ৰখা সামগ্ৰী ঋণগ্ৰহীতাই ঋণ সৰ্বতোপ্ৰকাৰে পৰিশোধ নোহোৱালৈকে ঋণদাতাৰ ওচৰত জামানত প্ৰতিভূতি হিচাবে থাকিব। চুক্তিমতে দিবলগীয়া সকলো ধৰণৰ ৰাশি যেনে মূল, সুত, খৰচ আদি সকলো ধৰণৰ ৰাশি ইয়াৰ অন্তৰ্ভুক্ত হ'ব।

৩.৪ ঋণগ্ৰহীতাই ঋণদাতাৰ বৰাবৰে সম্পাদন কৰা বন্ধকীনামা তেতিয়ালৈকে বলবৎ থাকিব যেতিয়ালৈকে ঋণদাতাই জামানত মুক্ত শংসাপত্ৰ (certificate) জাৰী নকৰে আৰু এই সময়লৈকে ঋণগ্ৰহীতাই দেউলিয়াপনা, শাৰিৰীক বা মানসিক ভাৰসাম্যহীনতা আদিত আক্ৰান্ত হ'লেও, নাইবা ব্যৱসায় বন্ধ কৰিলেও (ইচ্ছাকৃতভাৱে বা অন্য প্ৰকাৰে), নাইবা অন্য ব্যৱসায় প্ৰতিষ্ঠানৰ লগত সংযুক্তিকৰণ হ'লেও, নাইবা পুণৰ্গঠন/ৰাষ্ট্ৰীয়কৰণ বা বিলুপ্তি ঘটিলেও এই বন্ধকীনামাত উল্লেখিত স্বৰ্ত্তাদিৰ পৰিৱৰ্তন নহ'ব।

৩.৫ চুক্তিপত্ৰ সম্পাদনৰ সময়ত যদি ঋণগ্ৰহীতাই সম্পত্তিৰ দখল নেপায়, নাইবা সম্পত্তি যদি তেওঁৰ নামত পঞ্জীয়নভুক্ত নহয়, তেনেস্থলত চুক্তিপত্ৰ সম্পাদনৰ এক সপ্তাহৰ ভিতৰত ঋণগ্ৰহীতাই সম্পত্তি হস্তান্তৰ/পঞ্জীয়ন আদি সকলো তথ্য ঋণদাতাক যোগান ধৰিব, আৰু সেই সকলো তথ্য চুক্তিৰ অংশ হিচাবে গণ্য কৰা হ'ব। চুক্তি সম্পাদনৰ সময়ত সম্পত্তিৰ বিৱৰণ বা এই সম্পৰ্কিত কোনো তথ্য চুক্তিপত্ৰত সন্নিৱিষ্ট নকৰাৰ বা নোহোৱাৰ অজুহাতত ঋণগ্ৰহীতাই চুক্তিপত্ৰ ভুল, অশুদ্ধ বা মানি নচলাৰ দাবী কৰিব নোৱাৰিব।

৩.৬ ঋণগ্ৰহীতাই উপযুক্ত কৰ্তৃপক্ষৰ দ্বাৰা নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত সম্পত্তি পঞ্জীয়ন কৰাব লাগিব।

৩.৭ ঋণগ্ৰহীতাই সকলো বিৱৰণ সম্পৰ্কে জ্ঞাত বুলি স্বীকাৰ কৰে।

৩.৮ ঋণগ্ৰহীতাই ঋণৰ ৰাশি ও তাৰ ওপৰত দিবলগীয়া সুত সম্পূৰ্ণৰূপে আদায় দিয়াৰ অঙ্গীকাৰত এখনি কৰাৰনামা সম্পাদন কৰিব।

৩.৯ ঋণদাতাই ইচ্ছা কৰিলে ঋণগ্ৰহীতাক কোনো তৃতীয় পক্ষক অতিৰিক্তভাৱে জামিনদাৰ হিচাবে দেখুৱাবলৈ ক'ব পাৰিব। তেনেস্থলত ঋণগ্ৰহীতাক অতিৰিক্ত জামিনদাৰ পেচ কৰাৰ সন্দৰ্ভত ঋণদাতাৰ প্ৰয়োজন অনুসৰি অতিৰিক্তভাৱে চুক্তিপত্ৰ, মুচুলেকা বা Power of Attorney আদি দাখিল কৰিব লাগিব আৰু ঋণদাতাই পৰিশোধ কৰিবলগীয়া যাৱতীয় ধন সম্পূৰ্ণৰূপে পৰিশোধ নোহোৱালৈকে আৰু এই সম্পৰ্কে ঋণদাতাৰ পৰা উপযুক্ত শংসাপত্ৰ লাভ নকৰালৈকে এনে চুক্তি, মুচুলেকা আদি প্ৰত্যাহাৰ বা নাকচ কৰিব নোৱাৰিব।

**অনুচ্ছেদ ৪**

৪.১ ঋণদাতাই ইচ্ছা কৰিলে ঋণগ্ৰহীতাই আদায় দিয়া বা আদায় দিবলগীয়া কোনো ধন তলত লিখা ধৰণে আদায় কৰাৰ উদ্দেশ্যে আছুতীয়াকৈ ৰাখিব পাৰিব—

i) আগতীয়া ধন পৰিশোধৰ বাবে;

ii) খৰচ আদিৰ ভৰনিৰ বাবে;

iii) খৰচ আদিৰ ওপৰত দিবলগীয়া সুতৰ বাবে;

iv) সেৱা কৰ;

v) ঋণচুক্তি মতে আদায় দিবলগীয়া সুত বা ওপৰঞ্চি সুতৰ বাবে;

vi) ঋণচুক্তি মতে আদায় দিবলগীয়া মূলধনৰ বাবে;

vii) অন্য কোনো চুক্তিমতে আদায় দিবলগীয়া ধন যেনে টায়াৰৰ মূল্য, Fleet Car আঁচনি, বীমাৰ ধনৰ বাবে।

**অনুচ্ছেদ ৫**

**সম্পত্তিৰ মূল্য সম্বন্ধীয় ঋণগ্ৰহীতাৰ অৱদান**

৫.১ ঋণদাতাই ঋণৰাশি মোকলাই দিয়াৰ পূৰ্বে, ঋণগ্ৰহীতাই নিজে ডীলাৰ/উৎপাদকক আদায় দিয়া সম্পত্তিৰ মূল্যৰ বিষয়ে বিতং তথ্যপাতি যেনে Proforma invoice আদি দাখিল দিব লাগিব।

**অনুচ্ছেদ ৬**

**ঋণৰাশি মোকলাই দিয়াৰ চৰ্ত্ত**

৬.১ চুক্তিমতে ঋণদাতাই তলত দিয়া চৰ্ত্তসমূহ পূৰণ কৰা সাপেক্ষেহে ঋণৰাশি মুকলি কৰি দিব।

(ক) অনুচ্ছেদ ৩ৰ প্ৰাবধানমতে ঋণগ্ৰহীতাই জামানত/জামিনদাৰ আদি যোগান ধৰাৰ চৰ্ত্ত পূৰণ কৰিছে আৰু ঋণদাতাৰ সন্তুষ্টি মৰ্ম্মে Promissory note ও অন্যান্য তথ্যপাতি দাখিল কৰিছে;

(খ) ঋণদাতাই কোনো চৰ্ত্ত পূৰণ নকৰাকৈ থকা নাই;

(গ) এনেকুৱা কোনো পৰিস্থিতিৰ উদ্ভৱ হোৱা নাই যাৰ কাৰণে ঋণগ্ৰহীতাই চুক্তিৰ চৰ্ত্তসমূহ মানি চলাটো অসম্ভৱ হৈ উঠিছে।

**অনুচ্ছেদ ৭**

**ঋণগ্ৰহীতাৰ প্ৰতিনিধিত্ব**

৭.১ এই চুক্তি সম্পাদন কৰাৰ বাবে ঋণগ্ৰহীতাৰ পৰ্যাপ্ত আইনী সমল থাকিব। এই চুক্তিপত্ৰত সন্নিৱিষ্ট দফাবোৰ পূৰণ কৰিবলৈ ঋণগ্ৰহীতাক কোনো আইন, বিধি, ৰায় বা ডিক্ৰীয়ে বাধা প্ৰদান নকৰে। এই চুক্তি সম্পাদন কৰাৰ পিছত এইখন এখন আইনী দলিললৈ ৰূপান্তৰিত হ'ব যিখনৰ অন্তৰ্নিহিত কথাবোৰ

ঋণদাতাই মানি চলিবলৈ আইনতঃ বাধ্য থাকিব।

৭.২ বন্ধকত ৰখা সম্পত্তিৰ কোনোৰূপ দায়গ্ৰস্থতা নেথাকিব।

৭.৩ ঋণগ্ৰহীতাই ঋণ সম্বন্ধীয় সকলো প্ৰকাৰ আজ্ঞা, অনুমতি, আদি প্ৰদান কৰিছে আৰু লগতে প্ৰয়োজনীয় তথ্যপাতি ও বন্ধকী খতপত্ৰও দাখিল দিছে। ঋণগ্ৰহীতাই সম্পত্তি সম্পৰ্কীয় দিবলগীয়া সকলো কৰ কাটল ও অন্যান্য অৱশ্য দেয় আদি আদায় দিছে আৰু এই সম্পৰ্কে তেওঁ কোনো লোকৰ পৰা কোনো দাবী বা জাননী আদি প্ৰাপ্ত হোৱা নাই।

৭.৪ ঋণচুক্তিৰ ম্যাদ চলাকালীন ঋণগ্ৰহীতাই সকলো সময়তে এই দিশত নজৰ ৰাখিব যে ঋণৰ ৰাশিৰে ক্ৰয় কৰা বাহনখন যেন বৈধ অনুজ্ঞাপ্ৰাপ্ত চালকেহে চলায়।

৭.৫ ঋণগ্ৰহীতাৰ বিৰুদ্ধে কোনো আদালতত কোনো গোচৰ/মামলা আদি চলি থকা নাই আৰু আগলৈ তেনে গোচৰত লিপ্ত হোৱাৰ সম্ভাৱনাও নাই।

## অনুচ্ছেদ ৮
## ঋণগ্ৰহীতাই দিয়া প্ৰতিশ্ৰুতি

**ঋণগ্ৰহীতাই**

(ক) চুক্তিপত্ৰৰ প্ৰথম তপশীলত বৰ্ণিত মতে ঋণৰ টকা ব্যয় কৰিব লাগিব।

(খ) চুক্তিপত্ৰৰ প্ৰাৱধানসমূহ মানি চলোতে কিবা অসুবিধা হ'লে লগে লগে ঋণদাতাক জনাব লাগিব।

(গ) চুক্তিপত্ৰত উল্লেখিত সকলো নিয়ম, আইন আদি মানি চলিব লাগিব আৰু দিবলগীয়া সকলো ৰশি নিয়মীয়াকৈ আৰু সময়মতে আদায় কৰিব। বাহনৰ ব্যৱহাৰ,ৰক্ষণাবেক্ষণ আৰু তাৰ পৰা উদ্ভৱ হ'ব পৰা সকলো দায়িত্ব ঋণগ্ৰহীতাই বহন কৰিব।

(ঘ) ঋণদাতাকৰ্তৃক অনুমোদিত বীমা কোম্পানীৰ ওচৰত বাহনৰ উপযুক্ত বীমা কৰাব লাগিব যাতে যিকোনো পৰিস্থিতি যেনে জুই, দাঙা, গণ আন্দোলন, বানপানী বা অন্যান্য অৱস্থাৰ প্ৰতিকাৰ পাব পাৰি। বীমা পলিচিত Beneficiary হিচাবে ঋণদাতাৰ নাম উল্লেখ থাকিব লাগিব।

(ঙ) অপ্ৰত্যাশিত দুৰ্ঘটনা বা ঈশ্বৰৰ ইচ্ছাত বা ভূমিকম্প, বানপানী, ধুমুহা, চুৰি আদি কাৰণত বাহনৰ ক্ষতি হ'লে বা বাহনখন হেৰাই গ'লে, ঋণগ্ৰহীতাই ততালিকে ঋণদাতাক সেই বিষয়ে অৱগত কৰিব।

(চ) বন্ধকত থকা বাহনখনৰ সংক্ৰান্তে যাৱতীয় তথ্য যেনে বন্ধকী খতপত্ৰ, অতিৰিক্ত জামানত, অনুজ্ঞাপত্ৰ আদি সকলো তথ্য সংগ্ৰহ কৰিব যাতে এই সম্পৰ্কীয় authorization, সন্মতি, অনুমতি আদি সকলো ঠিকঠাক থাকে।

(ছ) ঋণগ্ৰহীতাৰ লিখিত অনুমতি অবিহনে বন্ধকীকৃত সম্পত্তি বিক্ৰী, ভাড়াত দিয়া, হস্তান্তৰ কৰা, অইন কাৰোবাৰ ওচৰত বন্ধকত থোৱা আদি কাম কৰিব নোৱাৰিব। প্ৰত্যক্ষ বা পৰোক্ষ যিকোনোভাৱে কৰা হস্তান্তৰ কৰিলে সেয়া ফৌজদাৰী কাৰ্য্যবিধিমতে দণ্ডণীয় অপৰাধ ও ঠগবাজি বুলি ধৰা হ'ব আৰু ইয়াৰ পৰিপ্ৰেক্ষিতত ঋণদাতাই ঋণগ্ৰহীতাৰ বিৰুদ্ধে ফৌজদাৰী কাৰ্য্যবিধিৰ অধীনত ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব। বন্ধকীকৃত সম্পত্তি ঋণগ্ৰহীতাৰ ওচৰত থকাৰ অৰ্থ হ'ল যে তেওঁ উক্ত সম্পত্তিৰ জামিনদাৰ।

(জ) বন্ধকীকৃত সম্পত্তি ভালদৰে ৰাখিব আৰু প্ৰয়োজনানুযায়ী ইয়াক মেৰামতি আদি কৰিব।

(ঝ) Post-dated cheque নগদীকৰণৰ বাবে পেচ কৰাৰ পিছত যাতে প্ৰত্যাখ্যাত নহয় সেই কথা সুনিশ্চিত কৰিবলৈ বেঙ্কত চেক পেচ কৰাৰ অব্যৱহিত পূৰ্বত আৰু পিছত নিৰ্দ্দিষ্ট পৰিমাণৰ ধন ৰাখিব।

(ঞ) কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰক দিবলগীয়া আয়কৰ বা অন্যান্য যিকোনো কৰ কাটল আদি নিয়মীয়াকৈ দি থাকিব আৰু নিৰ্দ্দিষ্ট সময়ত যে তেওঁ এনে ধৰণৰ কোনো কৰ আদায় দিবলৈ বাকী নাই সেই বিষয়ে নিশ্চিত কৰিব।

(ট) নতুন বাহনৰ ক্ষেত্ৰত, এইখন উপযুক্ত কৰ্তৃপক্ষৰ ওচৰত পঞ্জীয়ন কৰাব লাগিব (Motor Vehicles Act, 1988ৰ প্ৰাৱধান অনুসৰি) আৰু ঋণদাতাৰ নাম আদি RC Bookত উল্লেখ কৰাই ল'ব লাগিব। পুৰণি বাহনৰ ক্ষেত্ৰতো ঋণদাতাৰ নাম RC Bookত সন্নিৱিষ্ট কৰিব লাগিব।

(ঠ) যিখন বাহনৰ বাবে ঋণ লোৱা হৈছে সেইখন যথোপযুক্তভাৱে পঞ্জীয়ন কৰাৰ পিছত উক্ত পঞ্জীয়নকৃত (RC)ৰ এখন প্ৰতিলিপ ঋণদাতাক দিব লাগিব।

(ড) ঋণদাতাক নজনোৱাকৈ Duplicate (নকল) RC Bookৰ বাবে আবেদন জনাব নোৱাৰিব।

(ঢ) বন্ধকীকৃত বাহনখন চুৰি হ'লে বা ইয়াৰ ক্ষতি হ'লে বীমা কোম্পানীৰ ওচৰত ক্ষতিপূৰণৰ বাবে আবেদন কৰোতে, নাইবা বাহন সম্পৰ্কীয় RC Book খনৰ ক্ষতি বা চুৰি হ'লে বা বীমা পলিচিখন চুৰি হ'লে বা ইয়াৰ কোনো ক্ষতি হ'লে তেনেকুৱা হোৱাৰ অনধিক তিনি দিনৰ ভিতৰত এই বিষয়ে ঋণদাতাক লিখিতভাৱে জনাব লাগিব আৰু ঋণদাতাই সময়ে সময়ে দিয়া নিৰ্দ্দেশৰ ভিত্তিত এই বিষয়ে আগবাঢ়িব লাগিব।

(ণ) চৰকাৰ, পৌৰ নিগম, আঞ্চলিক পৰিবহন বিভাগ আদিৰ দ্বাৰা বন্ধকীকৃত বাহনৰ ক্ষেত্ৰত আদায় দিবলগীয়া সকলো কৰ-কাটল আদি নিয়মমতে আদায় দিব আৰু ঋণদাতাই বিচৰামতে এই সম্পৰ্কীয় ৰচিদ আদি দাখিল কৰিব।

(ত) চুক্তিপত্ৰত উল্লেখিত জামিন নামাৰ প্ৰাৱধানসমূহৰ উলংঘা হোৱাকৈ আৰু ঋণদাতাৰ লিখিত অনুমতি নোলোৱাকৈ বন্ধকীকৃত বাহনখন অন্য কাৰোবাৰ লগত সংযুক্তিকৰণ কৰিব নোৱাৰিব। এনে সংযুক্তিকৰণ বা হস্তান্তৰ কাৰ্য্যক অপৰাধমূলক কাৰ্য্য হিচাবে গণ্য কৰা হ'ব আৰু ইয়াৰ বাবে ঋণদাতাই ঋণগ্ৰহীতাৰ বিৰুদ্ধে ফৌজদাৰী কাৰ্য্যবিধিৰ প্ৰাৱধান অনুযায়ী শাস্তিমূলক ব্যৱস্থা ল'ব পাৰিব।

(থ) ঋণদাতাৰ ভৱিষ্যৎ স্বাৰ্থ সুৰক্ষিত কৰাৰ উদ্দেশ্যে ঋণদাতাই কোৱামতে দলিল আদি সম্পাদন কৰিব।

(দ) দুৰ্ঘটনা আদিৰ ক্ষেত্ৰত ঋণদাতাক দায়বদ্ধতাৰ পৰা ৰক্ষা কৰিব (দুৰ্ঘটনাজনিত ক্ষেত্ৰত তৃতীয় পক্ষক দিবলগীয়া ক্ষতিপূৰণৰ ক্ষেত্ৰতো ঋণদাতাক সুৰক্ষা প্ৰদান কৰিব লাগিব। Negotiable Instruments Act, ফৌজদাৰী মোকৰ্দ্দমা আদিৰ ক্ষেত্ৰতো ঋণদাতাই যাতে কোনো ধৰণৰ বাধ্যবাধকতাত জড়িত হ'ব নেলাগে, তাৰ বাবে ঋণগ্ৰহীতাই সকলো ধৰণৰ দিবলগীয়া ধন আদায় কৰিবলৈ বাধ্য থাকিব।

(ধ) ঋণদাতাই সময়ে সময়ে জাৰী কৰা নিয়মসমূহ সম্পৰ্কে সম্পূৰ্ণৰূপে অবহিত থাকিব।

(ন) ঋণগ্ৰহীতাই এই কথা নিশ্চিত কৰিব লাগিব যে তেওঁ যেন ঋণৰ ধনেৰে সোণ ক্ৰয় নকৰে বা কোনো ধৰণৰ সোণ সম্পৰ্কিত বেপাৰত এই ধন বিনিয়োগ নকৰে।

## অনুচ্ছেদ ৯
## সম্পত্তিৰ পূৰ্ণমূল্যায়ণ

৯.১ ঋণচুক্তি সম্পাদন কৰাৰ পিছত যদি ক্ৰয় কৰিবলগীয়া সম্পত্তিৰ মূল্য বঢ়াই দিয়া হয়, তেনেস্থলত ঋণগ্ৰহীতাই উক্ত সম্পত্তি ক্ৰয় কৰিবৰ বাবে বৰ্ধিত মূল্য আদায় দিব আৰু এই বৰ্ধিত মূল্য ঋণ হিচাবে দিবলৈ ঋণগ্ৰহীতাই বাধ্য নহয়। তেনেস্থলত ঋণদাতাই ইচ্ছা কৰিলে ঋণচুক্তি বাতিল বুলি ঘোষণা কৰিব পাৰিব আৰু ডিলাৰ/উৎপাদকক আগধন হিচাবে আদায় দিয়া ৰাশি ঘূৰাই ল'ব পাৰিব।

## অনুচ্ছেদ ১০
## হস্তান্তৰকৰণ

১০.১ সম্পত্তিৰ সক্ষমতা, গুণমান, অৱস্থা আদি সম্পৰ্কে নিশ্চিত হৈ ঋণগ্ৰহীতাই ডিলাৰ/উৎপাদক বা অন্য কোনো ব্যক্তিৰ পৰা ইয়াৰ দখল চমজি ল'ব আৰু এই বিষয়ে ঋণদাতাক তৎকালীনভাৱে অৱহিত কৰিব।

১০.২ ঋণগ্ৰহিতাই এই কথা বুজিব লাগিব যে ঋণদাতাই সম্পত্তি হস্তান্তৰৰ ক্ষেত্ৰত হোৱা কোনো দেৰী, বা সম্পত্তিৰ ক্ষতি আদিৰ বাবে কোনো পধ্যেই দায়ী নহয়। সেয়েহে ঋণদাতাই এই ক্ষেত্ৰত ঋণদাতাক দায়ী কৰিব নোৱাৰিব আৰু এনেকুৱা কাৰণত নিৰ্ধাৰিত কিস্তি আদায় নিদিয়াকৈ থাকিব নোৱাৰিব।

## অনুচ্ছেদ ১১
## ব্যৱহাৰ

ঋণগ্ৰহীতাই নিজে বা তেওঁৰ কৰ্মচাৰী/প্ৰতিনিধিয়ে বীমা পলিচিত নিষিদ্ধ কৰা কামত বাহনখনৰ ব্যৱহাৰ নকৰিব আৰু বীমা পলিচিখন অসিদ্ধ হৈ যাব পৰা কোনো কাম নকৰিব। বিশেষ কেন্দ্ৰ বা ৰাজ্য চৰকাৰৰ দ্বাৰা প্ৰতিবন্ধিত কোনো বস্তু যেনে বনজ সম্পদ, আফিম, অক্সাইজ, কাষ্টমচ্, সেইলচ্ টেক্স আদি বিভাগ সম্পৰ্কীয় বস্তু বাহানি, অবৈধ সোণ আদি কঢ়িয়াই লৈ নুফুৰিব আৰু বাহনখনক কোনো অনৈতিক বা বেআইনী কামত লিপ্ত নকৰিব। এনেধৰণৰ অনৈতিক বা বেআইনী কাৰ্যকলাপৰ দ্বাৰা বাহন সংক্ৰান্তত ঋণদাতাই ক্ষতিগ্ৰস্থ হ'লে তাৰ কাৰণে ঋণদাতাই সম্পূৰ্ণভাৱে দায়ী হ'ব। ঋণদাতাই নিৰ্দ্দিষ্ট কৰি দিয়া কামবোৰহে ঋণগ্ৰহীতাই নিজৰ খৰচত কৰিব পাৰিব।

## অনুচ্ছেদ ১২
## বীমা ও তাৰ প্ৰতিপালন

১২.১ ঋণ সম্পৰ্কীয় জামিন নামাৰ সুৰক্ষা আৰু বীমা পলিচিত ঋণদাতাৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ লক্ষ্যেৰে ঋণগ্ৰহীতাই এই চুক্তিপত্ৰ সম্পাদনৰ অব্যবহিত পিছত বাহনখন ধৰ্মঘট, দুৰ্ঘটনা, বানপানী, গণবিক্ষোভ, দাংগা আদিৰ পৰা হ'ব পৰা সাম্ভাব্য ক্ষতিৰ পূৰণ কৰাৰ বাবে বীমা কৰাব আৰু উক্ত বীমা পলিচি চালু ৰাখিবলৈ নিয়মীয়াকৈ বীমাৰ প্ৰিমিয়াম আৰু অন্যান্য ধন আদায় কৰিব। ঋণদাতাই তলৱ কৰামতে ঋণগ্ৰহীতাই বীমা পলিচি, কভাৰ নোট, ৰচিদ আদি পৰিদৰ্শনৰ বাবে দাখিল কৰিব।

১২.২ বীমা পলিচিয়ে অনুমোদন নকৰা কোনো কামৰ বাবে ঋণদাতাই বাহনখন ব্যৱহাৰ নকৰিব বা এনে কাম কৰিবলৈ নিদিব যাৰ পৰিণতি স্বৰূপ বীমা পলিচিখন অবৈধ বুলি ঘোষিত হ'ব পাৰে।

১২.৩ ঋণদাতাই ইচ্ছা কৰিলে ঋণগ্ৰহীতাৰ হকে বীমা পলিচি ক্ৰয় কৰিব পাৰিব আৰু ঋণগ্ৰহীতাই জাৰী কৰা PDS Cheque/পে অৰ্ডাৰ/অন্য উপায়েৰে বীমাৰ কিস্তি আদায় দিব পাৰিব, কিন্তু কোনো কাৰণত ঋণদাতাই বীমাৰ কিস্তি আদায় নকৰিলেও বাহনখনৰ সুৰক্ষাৰ অৰ্থে বীমা কৰাৰ দায়বদ্ধতাৰ পৰা ঋণগ্ৰহীতাই সাৰি যাব নোৱাৰিব।

১২.৪ বাহন সম্পৰ্কিত সকলো ধৰণৰ বীমাৰাশিৰ প্ৰথম দাবীদাৰ হ'ব ঋণদাতাই। ঋণগ্ৰহীতাই এই কথাত সন্মতি প্ৰকাশ কৰে যে ঋণদাতাই নিজৰ স্বাৰ্থ সুৰক্ষিত কৰি ৰাখিবলৈ আৰু তেওঁৰ প্ৰাপ্য ধন আদায় কৰিবলৈ বীমাৰাশিৰ ব্যৱহাৰ কৰিব। বীমা পলিচি সম্পৰ্কে সকলো কাম আৰু ইয়াৰ নবীকৰণ আদিৰ কাম ঋণদাতাৰ নিৰ্দ্দেশ মৰ্ম্মে ঋণগ্ৰহীতাই সম্পন্ন কৰিব।

১২.৫ ঋণগ্ৰহীতাই নিজৰ খৰচত আৰু পলম নকৰাকৈ দুৰ্ঘটনাগ্ৰস্থ বাহনখনৰ মেৰামতি কৰিব আৰু এই সম্পৰ্কীয় সকলোবোৰ বিল বীমা কোম্পানীৰ ওচৰত দাখিল কৰিব। ঋণগ্ৰহীতাৰ যদি কোনো দিবলগীয়া ৰাশি নেথাকে, তেন্তে ঋণদাতাই এই ধন ঋণগ্ৰহীতাক প্ৰদান কৰিব।

## অনুচ্ছেদ ১৩
## বিচ্যুতিযআওহেলা

১৩.১ যদি ঋণগ্ৰহীতাই চুক্তিৰ প্ৰাৱধানমতে ঋণৰ ৰাশি বা অন্যান্য আনুযঙ্গিক ধন নাইবা কিস্তিৰ ধন নাইবা অন্য কোনো প্ৰকাৰে আদায় কৰিবলগীয়া ধন পৰিশোধ কৰিবলৈ অসমৰ্থ হয়;

১৩.২ যদি ঋণগ্ৰহীতাৰ মৃত্যু হয় (এজনতকৈ বেচিৰ ক্ষেত্ৰত এজনৰ মৃত্যু হয়), নাইবা যিকোনো প্ৰকাৰে ঋণগ্ৰহীতাই নিজকে বা ঋণগ্ৰহীতাক অইন কোনোবাই দেউলিয়া বুলি ঘোষণা কৰে;

১৩.৩ যদি ঋণগ্ৰহীতা (সংঘ বা অংশীদাৰী সন্থা)ৰ বিৰুদ্ধে কোনো তৃতীয় পক্ষই ব্যৱসায় বন্ধ কৰাৰ কাৰণে, নাইবা পুনৰ্গঠনৰ বাবে ট্ৰাষ্টী/ৰিসিভাৰ আদি নিয়োগ সম্পৰ্কে মামলা কৰে;

১৩.৪ যদি ঋণগ্ৰহীতাই বন্ধকীকৃত সম্পত্তি বিক্ৰী/দান/হস্তান্তৰ আদি কৰিব বিচাৰে আৰু এই ক্ষেত্ৰত যদি তেওঁ আগতীয়াকৈ ঋণদাতাৰ লিখিত অনুমতি নলয়;

১৩.৫ যদি ঋণগ্ৰহীতাই বীমাৰ প্ৰিমিয়াম ধন পৰিশোধ কৰিবলৈ ব্যৰ্থ হয় নাইবা যদি তেওঁ জাৰী কৰা PDS Cheque/ECS আদি বেঙ্কে নগদীকৰণ কৰিবলৈ অসন্মতি প্ৰকাশ কৰে;

১৩.৬ যদি কোনো আধিকাৰিক/কৰ্তৃপক্ষৰ দ্বাৰা বন্ধকীকৃত সামগ্ৰী বাজেয়াপ্ত কৰা হয়;

১৩.৭ যদি ঋণগ্ৰহীতাই বন্ধকীকৃত সামগ্ৰীৰ ওপৰত দিবলগীয়া কৰ, ভৰনি আদি আদায় দিবলৈ ব্যৰ্থ হয়;

১৩.৮ যদি বন্ধকীকৃত সামগ্ৰী চুৰি হয় বা ইয়াক বিচাৰি পোৱা নেযায়;

১৩.৯ যদি বাহনখন কোনো কাৰণত ব্যৱহাৰৰ অনুপযোগী হৈ পৰে নাইবা ই কোনো তৃতীয় পক্ষৰ দুৰ্ঘটনাৰ কাৰণ হৈ পৰে;

১৩.১০ যদি ঋণদাতাৰ নামত জাৰী কৰা বা জাৰী কৰিবলগীয়া PDS/ECS বেঙ্কত নগদীকৰণৰ বাবে পেচ কৰাৰ পিছত প্ৰত্যাখ্যাত হয়;

১৩.১১ যদি ঋণগ্ৰহীতাই PDS/ECS আদি নগদীকৰণ কৰিবলৈ মানা কৰি দিয়ে;

১৩.১২ যদি ঋণগ্ৰহীতাই বাহনৰ Registration Certificateৰ প্ৰতিলিপি (য'ত ঋণদাতাৰ নামত সম্পত্তি বন্ধকত থোৱাৰ কথা উল্লেখ আছে) ঋণদাতাৰ ওচৰত দাখিল নিদিয়ে;

১৩.১৩ যদি এনেকুৱা কোনো পৰিস্থিতিৰ উদ্ভৱ হয় যিয়ে ঋণদাতাৰ মনত ঋণগ্ৰহীতাই চুক্তি মানি চলিব নে নাই সেই বিষয়ে সংশয়ৰ উৎপত্তি হয়;

১৩.১৪ যদি ঋণগ্ৰহীতাই চুক্তিমতে দিবলগীয়া বাহনৰ সৱিশেষ (পুৰণি/নতুন) ঋণদাতাক অৱগত নকৰে;

১৩.১৫ যদি ঋণগ্ৰহীতাই চুক্তিৰ কোনো চৰ্ত্ত খেলাপ কৰে, নাইবা ঋণগ্ৰহীতাই যোগান ধৰা কোনো তথ্য পিছলৈ ভুল বুলি প্ৰমাণ হয়;

১৩.১৬ যদি এনে কোনো পৰিস্থিতিৰ উদ্ভৱ হয় যিয়ে ঋণদাতাৰ মতে তেওঁৰ স্বাৰ্থৰ পৰিপন্থী হয়;

১৩.১৭ যদি ঋণদাতাক দেউলীয়া বুলি ঘোষণা কৰা হয়;

১৩.১৮ যদি ঋণদাতাই কৰা কোনো কাৰ্য্যই দুয়োপক্ষৰ মাজত হোৱা চুক্তিৰ চৰ্তসমূহ উলংঘন হোৱাৰ আশংকাই দেখা দিয়ে।

**অনুচ্ছেদ ১৪**

**ঋণদাতাৰ অধিকাৰ**

১৪.১ (A) ওপৰৰ অনুচ্ছেদত উল্লেখ কৰা যিকোনো এটি বা সকলো বিচ্যুতি ঘটিলে, ঋণদাতাই এই বিষয়ে জাৰী কৰা জাননী পোৱাৰ ১০ (দহ) দিনৰ ভিতৰত ঋণগ্ৰহীতাই তলত দিয়া ধৰণে ধন ঋণদাতাক আদায় দিবলৈ বাধ্য থাকিব ঃ

(ক) দিবলগীয়া/অনাদায়ী কিস্তিৰ ধন;

(খ) চুক্তিৰ ম্যাদ ইতিমধ্যে সম্পূৰ্ণ হৈ গ'লে, দিবলগীয়া/অনাদায়ী সকলো কিস্তিৰ ধন;

(গ) অনাদায়ী ৰাশিৰ ওপৰত প্ৰথম তপশীলত বৰ্ণিত মতে ওপৰঞ্চি সুত;

(ঘ) অন্য যিকোনো প্ৰকাৰে আদায় দিবলগীয়া ধন যাৰ ভিতৰত অনাদায়ী বীমা প্ৰিমিয়ামৰ ধন ও ওপৰঞ্চি সুতো থাকিব।

(B) বিশেষ অৱস্থাত য'ত ঋণগ্ৰহীতাই বাহনখন ঋণদাতাই ঢুকি নোপোৱাকৈ নাইবা তেওঁৰ আওতাৰ বাহিৰত ৰাখিব; নাইবা বাহনখনক অস্বাভাৱিক ক্ষতিগ্ৰস্থ হ'বলৈ দিব, নাইবা বাহনখনক বেআইনী/অবৈধ কাৰ্য্যকলাপৰ বাবে ব্যৱহাৰ কৰিব। তেনে ক্ষেত্ৰত ঋণদাতাই ঋণগ্ৰহীতাক আগতীয়া জাননী নিদিয়াকৈ বাহনখন জব্দ কৰিব পাৰিব আৰু নাইবা এই সম্পৰ্কে আৱশ্যকবোধে অন্য ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

১৪.২ তেনে জাননী পোৱাৰ পিছতো যদি ঋণদাতাই জাননীত উল্লেখিত ৰাশি আদায় দিবলৈ অপাৰগ হয় তেনেহ'লে তেওঁ ঋণদাতাই উল্লেখ কৰা ঠাইত আৰু সময়ত বাহনখন যি অৱস্থাত লৈছিল ঠিক সেই অৱস্থাত জমা দিব লাগিব (অৱশ্যে সাধাৰণ দাগ, ক্ষয় আদি ধৰ্তব্য নহ'ব)। অন্যথাই ঋণদাতাই পুনৰায় জাননী জাৰী নকৰাকৈ বাহনখন জব্দ কৰিব পাৰিব। তেনেস্থলত ঋণগ্ৰহীতাই ঋণদাতাক কোনো ধৰণৰ বাধা নিষেধ দিব নোৱাৰিব। ঋণদাতাৰ স্বীকৃত প্ৰতিনিধি, কৰ্মচাৰী আদিয়ে বাহনখন লুকুৱাই ৰখা বুলি সন্দেহ কৰা যিকোনো ঠাইত (যেনে গেৰেজ, গুদাম আদিত) বিনা বাধাই প্ৰৱেশ কৰি বাহনখন জব্দ কৰিব পাৰিব। ঋণগ্ৰহীতাই এই ক্ষেত্ৰত অসহযোগিতা কৰিলে ঋণদাতাই আৱশ্যকবোধে তেনে ঠাইত বলপূৰ্বক প্ৰৱেশ কৰি বাহনখন জব্দ কৰিব পাৰিব। জব্দকৃত বাহনখন লৈ যাওঁতে ঋণদাতাই টনাগাড়ী বা অন্য যিকোনো গাড়ী ব্যৱহাৰ কৰিব পাৰিব আৰু তেনেস্থলত ঋণগ্ৰহীতাই বাহনখন টানি লৈ যোৱাৰ খৰচ বহন কৰিব লাগিব। লগতে ঋণগ্ৰহীতাই বাহনখন জব্দ কৰোতে হোৱা খৰচ আৰু ইয়াক বিক্ৰীৰ বাবে সাজু কৰোতে হোৱা খৰচো বহন কৰিব লাগিব।

১৪.৩ ঋণদাতাৰ স্বীকৃত প্ৰতিনিধি/কৰ্মচাৰীয়ে বাহনখন জব্দ কৰাৰ পিছত ইয়াৰ এখন তালিকা প্ৰস্তুত কৰিব। ইয়াৰ পিছত ঋণদাতাই এই তালিকা সংলগ্ন কৰি ঋণগ্ৰহীতালৈ এখন জাননী প্ৰেৰণ কৰিব য'ত এই জাননী পোৱাৰ ১০ (দহ) দিনৰ ভিতৰত তেওঁক ঋণদাতাৰ লগত যোগাযোগ কৰি জব্দকৃত বাহনখন ঘূৰাই লৈ যোৱাৰ সুযোগ দিয়া হ'ব। ঋণগ্ৰহীতাই এই ক্ষেত্ৰত অপাৰগতা দেখুৱালে, বাহন সম্পৰ্কিত সকলো মূল নথিপত্ৰ (যেনে RC Book, Tax Token Permit, বীমা পলিচি আদি) ঋণদাতাৰ ওচৰত জমা দিব (যদিহে বাহনখন জব্দ কৰাৰ সময়ত এইবোৰ নথিপত্ৰ বাহনখনত পোৱা হোৱা নাছিলে)। লগতে ঋণগ্ৰহীতাই বাহনখনৰ মালিকীস্বত্ব পৰিৱৰ্তন কৰোতে প্ৰয়োজনীয় নথিপত্ৰ তৈয়াৰ কৰাৰ কামত ঋণদাতা বা তেওঁৰ স্বীকৃত প্ৰতিনিধি/কৰ্মচাৰীক সৰ্বতোপ্ৰকাৰে সহায় আগবঢ়াব। যদি ঋণগ্ৰহীতাই এই ক্ষেত্ৰত কোনো সহযোগ নকৰে বা সহযোগ কৰিবলৈ ইচ্ছা নকৰে, তেনেহ'লে ঋণদাতাই একপক্ষীয়ভাৱে এইক্ষেত্ৰত ল'বলগীয়া সকলো পদক্ষেপ গ্ৰহণ কৰিব পাৰিব।

১৪.৪ বাহনখন জব্দ কৰোতে ইয়াৰ ভিতৰত থকা কোনো বস্তুৰ চুৰি, ক্ষতি, ক্ষয় আদিৰ বাবে ঋণগ্ৰহীতাই ঋণদাতা, বা তেওঁৰ দ্বাৰা স্বীকৃত প্ৰতিনিধি বা কৰ্মচাৰীক কোনোপধ্যে দায়ী কৰিব নোৱাৰিব।

১৪.৫ ঋণগ্ৰহীতাই পৰিশোধ কৰিবলগীয়া গোটেইখিনি ৰাশি ঘূৰাই দিলে ঋণদাতাই তেওঁক জব্দকৃত বাহনৰ দখল পুনৰায় সমঝাই দিব। ঋণদাতাই ইচ্ছা কৰিলে ঋণগ্ৰহীতাৰ পৰা তেনে ধন কিস্তিত আদায় কৰাৰ প্ৰতিশ্ৰুতিৰেও জব্দকৃত বাহনখন ঘূৰাই দিব পাৰিব। বাহন জব্দ কৰোতে ও ইয়াক সুৰক্ষিতভাৱে গেৰেজত ৰাখোতে হোৱা সমুদায় খৰচ ঋণগ্ৰহীতাই আদায় দিব, ঋণগ্ৰহীতাই সকলো ধন পৰিশোধ কৰাৰ পিছত বাহনৰ দখল চমজি লৈ বাহনখন যে আগৰ অৱস্থাতে ঘূৰাই পাইছে সেই সম্পৰ্কীয় এখন ৰচিদ ঋণদাতাক দিব।

১৪.৬ ওপৰোক্ত ১৩ অনুচ্ছেদত বৰ্ণিত বিচ্যুতিৰ ক্ষেত্ৰত ঋণদাতাই ঋণগ্ৰহীতাৰ প্ৰত্যক্ষ সহযোগত জব্দকৃত বাহন নিলামযোগে নাইবা ব্যক্তিগতভাৱে কাৰোবাৰ ওচৰত বিক্ৰী কৰি সেই ধনেৰে নিজৰ পাবলগীয়া সকলো ধন আদায় কৰিব।

১৪.৭ যদি ওপৰোক্ত মতে বিক্ৰীলব্ধ ধনেৰে ঋণদাতাই নিজৰ পাবলগীয়া ধন সম্পূৰ্ণৰূপে আদায় কৰাত ব্যৰ্থ হয়, তেন্তে ঋণগ্ৰহীতাই সেই খাতত বাকী থকা সমুদায় ধন আদায় দিবলৈ বাধ্য থাকিব। আৰু যদি বিক্ৰীলব্ধ ধনেৰে ঋণদাতাৰ ঋণ পৰিশোধ কৰাৰ পিছতো কিছু ধন ৰাহি হয়, তেন্তে ঋণদাতাই সেই উদ্বৃত্ত ধন ঋণগ্ৰহীতাক আদায় দিব। এই অনুচ্ছেদৰ প্ৰাৱধান মতে ঋণদাতাই বাহন জব্দ ও বিক্ৰী কৰোতে কোনো বাধাৰ সন্মুখীন নহ'ব আৰু তেনেকুৱা হ'লে ঋণদাতাই ঋণগ্ৰহীতা ও তেওঁৰ জামিনদাৰৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

১৪.৮ জব্দকৃত বাহন বিক্ৰীৰ বাবে লোৱা ব্যৱস্থাৰ ক্ষেত্ৰত ঋণগ্ৰহীতাই ঋণদাতাক কোনোপ্ৰকাৰে দায়ী কৰিব নোৱাৰিব আৰু এনে বিক্ৰীৰ ক্ষেত্ৰত ঋণদাতা কৰ্তৃক নিযুক্ত দালাল/নিলামদাৰ/অন্য যিকোনো ব্যক্তি বা প্ৰতিষ্ঠানে কৰা কাৰ্য্যৰ ফলত হোৱা ক্ষতিৰ বাবে ঋণদাতা দায়ী নহ'ব।

১৪.৯ বাহনৰ অৱস্থিতিৰ বিষয়ে অনুসন্ধান কৰা, ইয়াৰ দখল চমজি লোৱা, ইয়াক গেৰেজত ৰখা, বীমা কৰোৱা, আৰু বিক্ৰী কৰা আদি সকলো কাম কৰিবৰ বাবে যদি আইনী প্ৰক্ৰিয়াৰ সহায় ল'বলগীয়া হয়, তেন্তে তাৰ খৰচ ঋণগ্ৰহীতাইহে বহন কৰিব লাগিব। এই কথা স্পষ্ট কৰি দিয়া হ'ল যে ঋণ আদায়ৰ এই প্ৰক্ৰিয়াই চুক্তিপত্ৰত সন্নিৱিষ্ট অন্যান্য প্ৰক্ৰিয়াসমূহক প্ৰভাৱিত বা ব্যাহত নকৰে।

১৪.১০ Indian Contract Actৰ ১৫১ নং ধাৰাৰ প্ৰাৱধান অনুযায়ী ঋণদাতাৰ ওচৰত থকা সময়খিনিত কৃত বাহনখনৰ কোনো ক্ষতি, হেৰোৱা, অৱমূল্যন আদিৰ বাবে ঋণদাতা বা তেওঁৰ নিযুক্তীয় প্ৰতিনিধি, কৰ্মচাৰী আদি দায়ী নহ'ব আৰু এই ক্ষেত্ৰত হোৱা আৰ্থিক ক্ষতিৰ বাবে অকল ঋণগ্ৰহীতাকে দায়ী কৰা হ'ব।

## অনুচ্ছেদ ১৫
## প্ৰত্যাভূতি (Guarantor)

১৫.১ ঋণদাতাৰ প্ৰয়োজন অনুসৰি ঋণগ্ৰহীতাই কোনো তৃতীয় পক্ষক ঋণ শোধৰ বাবে অতিৰিক্ত প্ৰতিভূ (জামিনদাৰ) হিচাবে পেচ কৰিব। এই সম্পৰ্কে ঋণদাতাই আগবঢ়োৱা প্ৰপত্ৰ (Form) ব্যৱহাৰ কৰিব।

## অনুচ্ছেদ ১৬
## আগতীয়া ধন পৰিশোধ

দ্বিতীয় তপশীলত বৰ্ণিত সময়সীমাৰ পূৰ্বেই যদি ঋণগ্ৰহীতাই ঋণৰ ৰাশি পৰিশোধ কৰিব বিচাৰে তেন্তে পৰিশোধ কৰাৰ দিনা দিবলগীয়া সমুদায় ধন আগতীয়াকৈ ঋণ পৰিশোধ কৰাৰ বাবে দিবলগীয়া মাচুলৰ সৈতে আদায় দিব লাগিব। এনে আগতীয়া ঋণ পৰিশোধ নগদ টকা বা চেক নগদীকৰণ হোৱাৰ পিছতহে কাৰ্য্যকৰী হ'ব।

## অনুচ্ছেদ ১৭
## প্ৰত্যাভূতি নিশ্চিন্তকৰণ

ঋণগ্ৰহীতাই ইয়াকে মানি লৈছে যে ঋণদাতাই সংশ্লিষ্ট সম্পত্তি বা ইয়াৰ কোনো নিৰ্দ্দিষ্ট অংশ বিক্ৰী, হস্তান্তৰ আদি কৰিবৰ ক্ষমতা ভোগ কৰিব আৰু লগতে তেনে ক্ৰেতা বা হস্তান্তৰ কৰা ব্যক্তিৰ স্বাৰ্থ সুৰক্ষিত কৰিবৰ উদ্দেশ্যে ঋণগ্ৰহীতাৰ বিৰুদ্ধে যিকোনো ব্যৱস্থা গ্ৰহণ কৰাৰ অধিকাৰ ভোগ কৰিব আৰু এনেকুৱা ক্ষেত্ৰত ঋণদাতাই ঋণগ্ৰহীতাক কোনো ধৰণৰ লিখিত জাননী দিবলৈ বাধ্য নেথাকিব। এনেকুৱা বিক্ৰী বা হস্তান্তৰৰ ক্ষেত্ৰত ঋণগ্ৰহীতাই ঋণদাতাৰ সৈতে উক্ত তৃতীয় পক্ষকো যৌথভাৱে পাওনাদাৰ হিচাবে স্বীকৃতি দিব লাগিব আৰু এনে তৃতীয় পক্ষৰ তৰফে ঋণদাতাই লোৱা সকলো পদক্ষেপক স্বীকৃতি দিব লাগিব। ঋণগ্ৰহীতাই উক্ত তৃতীয় পক্ষক আদায় দিবলগীয়া ঋণৰাশি আৰু বিক্ৰী/হস্তান্তৰ কৰি পোৱা ৰাশিৰ ব্যৱধানখিনি আদায় দিবলৈ বাধ্য থাকিব। ঋণদাতাৰ হকে উক্ত বকেয়া ৰাশি ঋণগ্ৰহীতাৰ পৰা আদায় কৰাৰ কৰ্তৃত্ব উক্ত তৃতীয় পক্ষৰ থাকিব।

## অনুচ্ছেদ ১৮
## ঋণদাতাৰ প্ৰতিনিধি নিয়োগৰ অধিকাৰ

১৮.১ ঋণগ্ৰহীতাই এই কথাত সন্মতি প্ৰকাশ কৰে যে ঋণদাতাই তেওঁৰ কৰ্মচাৰীৰ ওপৰিও ঋণ আদায়ৰ সুবিধাৰ্থে এক বা ততোধিক প্ৰতিনিধি নিৰ্বাচন কৰিব পাৰিব আৰু তেনে প্ৰতিনিধিৰ হাতত ঋণদাতাৰ পৰা আদায় কৰিবলগীয়া সকলোখিনি কৰণীয় কাম কৰাৰ ক্ষেত্ৰত অৰ্পন কৰিব পাৰিব। এইবোৰৰ ভিতৰত ঋণদাতাৰ পৰা কিস্তি/সুত/অন্যান্য প্ৰকাৰে দিবলগীয়া মাচুল, জাননী পঠোৱা, ঋণগ্ৰহীতাৰ গৃহ বা কৰ্মস্থলত গৈ তাগাদা দিয়া আদি সকলো কাম অন্তৰ্ভুক্ত থাকিব।

## অনুচ্ছেদ ১৯
## লীয়েন বা পৃথকীকৰণ

১৯.১ এই চুক্তিৰ চৰ্তসমূহৰ উলংঘন নকৰাকৈ ঋণদাতাই ঋণগ্ৰহীতাৰ সকলো সম্পত্তিৰ লীয়েন উপভোগ কৰিব আৰু ঋণগ্ৰহীতাৰ পৰা সম্পূৰ্ণ ঋণৰ ৰাশি ঘূৰাই পোৱাৰ স্বাৰ্থত ঋণগ্ৰহীতাৰ account বোৰ পৃথকে একেলগে কৰি ৰাখিব পাৰিব।

১৯.২ ঋণগ্ৰহীতাই স্বীকাৰ কৰে যে তেওঁ ঋণ পৰিশোধ কৰাৰ ক্ষেত্ৰত কিবা বিচ্যুতি হ'লে, ঋণদাতাই তেনেকৈ পৃথক কৰি ৰখা ধন উক্ত ঋণ পৰিশোধ কৰাৰ কামত ব্যৱহাৰ কৰিব পাৰিব।

## অনুচ্ছেদ ২০
## জাননী

২০.১ ঋণদাতাৰ কোনোবা দায়িত্বপ্ৰাপ্ত বিষয়াই চহী কৰি ঋণগ্ৰহীতাই আদায় দিবলগীয়া ৰাশিৰ বিষয়ে কোনো জাননী জাৰী কৰিলে সেই জাননীকেই এই বিষয়ত চূড়ান্ত বুলি গণ্য কৰা হ'ব আৰু এই কথা ঋণগ্ৰহীতা আৰু তেওঁৰ জামিনদাৰেও মানি চলিব বাধ্য থাকিব।

২০.২ ঋণগ্ৰহীতাৰ ঠিকনা আদি পৰিৱৰ্তন হ'লে সেই বিষয়ে ঋণদাতাক এক সপ্তাহৰ ভিতৰত জনাব লাগিব। ঋণগ্ৰহীতালৈ কোনো জাননী, পত্ৰ বা অন্য কোনো তথ্যাদি তেওঁ যোগান ধৰা ঠিকনাত পঞ্জীকৃত ডাক সেৱা/সাধাৰণ ডাক/পত্ৰবাহক/ফেক্স/ই-মেইল আদিৰ জৰিয়তে প্ৰেৰণ কৰা হ'ব। পঞ্জীকৃত ডাক সেৱাৰ জৰিয়তে পঠোৱা জাননী/চিঠি আদি পঠোৱাৰ ৪৮ ঘণ্টাৰ পিছত ঋণগ্ৰহীতাই পোৱা বুলি ধৰি লোৱা হ'ব।

২০.৩ সকলো ক্ষেত্ৰতে চুক্তিৰ ক্ৰমিক সংখ্যা উল্লেখ কৰিব লাগিব।

২০.৪ ঋণদাতালৈ প্ৰেৰণ কৰা সকলো পত্ৰ চুক্তিপত্ৰৰ আৰম্ভণিতে উল্লেখিত ঠিকনাতহে পঠাব লাগিব।

**অনুচ্ছেদ ২১**
**আংশিক অসিদ্ধতা**

আইনৰ চকুত/চৰকাৰী নিয়মত যদি এই চুক্তিপত্ৰৰ কোনো প্ৰাৱধান অসিদ্ধ বুলি পৰিগণিত হয়, তেন্তে সেয়া আংশিকভাৱে অসিদ্ধ বুলিহে বিবেচিত হ'ব আৰু ইয়াৰ ফলত চুক্তিপত্ৰৰ বাকী প্ৰাৱধানসমূহৰ ওপৰত কোনো প্ৰভাৱ নপৰে আৰু সেইবোৰ আগৰ দৰে সিদ্ধ বুলিয়েই গণ্য কৰা হ'ব। এনে অসিদ্ধ প্ৰাৱধানৰ সলনি আইন/চৰকাৰী নীতিৰ লগত সামঞ্জস্য থকা নতুন প্ৰাৱধান চুক্তিপত্ৰত যোগ কৰা হ'ব।

**অনুচ্ছেদ ২২**
**আইন, পৰিসৰ ও মধ্যস্থতা**

২২.১ (ক) এই চুক্তিপত্ৰ সম্পৰ্কীয় সকলো বিবাদ/বিৰোধ/দাবী Arbitration and Conciliation Act, 1996ৰ প্ৰাৱধান মতে ঋণদাতাৰ পৰিচালন সঞ্চালকৰ দ্বাৰা মনোনীত মধ্যস্থতাকাৰীয়ে নিষ্পত্তি কৰিব। আৰু এনে মধ্যস্থতাকাৰীয়ে দিয়া সিদ্ধান্ত ঋণগ্ৰহীতাই চূড়ান্ত বুলি মানি ল'ব লাগিব।

(খ) সকলো বিবাদৰ নিষ্পত্তিৰ ঠাই হ'ব চেন্নাই।

(গ) এইদৰে মনোনীত মধ্যস্থতাকাৰীয়ে বন্ধকীকৃত সম্পত্তি নাইবা জামানত হিচাবে বন্ধক ৰখা অন্যান্য সম্পত্তিৰ বিষয়তো সিদ্ধান্ত দিব পাৰিব।

**অনুচ্ছেদ ২৩**
**ঋণদাতা কৰ্তৃক প্ৰকাশকৰণ**

ঋণদাতাই নিজে বা তেওঁৰ দ্বাৰা প্ৰাধিকৃত কৰ্মচাৰী বা অইন ব্যক্তিৰ জৰিয়তে ঋণগ্ৰহীতাৰ দ্বাৰা অন্য কোনো সংস্থাৰ পৰা লোৱা ঋণ, তাৰ পৰিশোধকৰণ আদিৰ বিষয়ে খবৰ ল'ব পাৰিব। সেয়েহে ঋণগ্ৰহীতাই এই বিষয়ে কোনো বিৰোধ কৰিব নোৱাৰিব।

**অনুচ্ছেদ ২৫**
**ম্যাদী ও ম্যাদৰ অন্ত**

২৫.১ চুক্তি স্বাক্ষৰ হোৱাৰ দিনৰে পৰা এইখন কাৰ্য্যকৰী হ'ব আৰু ঋণগ্ৰহীতাই দিবলগীয়া ৰাশি, সুত ও অন্যান্য প্ৰকাৰে দিবলগীয়া ধন আদি সকলো সম্পূৰ্ণৰূপে পৰিশোধ কৰাৰ পিছতহে ইয়াৰ ম্যাদৰ অন্ত পৰিব।

**অনুচ্ছেদ ২৬**
**বিবিধ**

২৬.১ **উভয় পক্ষৰ মাজত যোগাযোগ/সম্পৰ্ক ৰক্ষাৰ ক্ষেত্ৰত ইংৰাজী ভাষাৰ ব্যৱহাৰ হ'ব।**

২৬.২ **শুধৰণি**
অনুচ্ছেদ ২ (২.৩)ত দিয়া সুতৰ হাৰ আৰু অনুচ্ছেদ ২ (২.১১)ত দিয়া কিস্তি প্ৰদানৰ বিষয় পুনৰ্বিচাৰ কৰাৰ বাহিৰে এই চুক্তিপত্ৰত সন্নিৱিষ্ট অন্য কোনো চৰ্ত্তৰ পুনৰীক্ষণ/পুনৰ্বিবেচনা বা শুধৰণি কৰা নহ'ব।

২৬.৩ **যোগবৰ্দ্ধনশীলতাৰ অধিকাৰ**
এই চুক্তিপত্ৰৰ জৰিয়তে পোৱা বা সংবিধান/দেৱানী আইন/সাধাৰণ আইন/বেপাৰ/ব্যৱহাৰ আজিৰ জৰিয়তে লাভ কৰা অধিকাৰসমূহ ঋণদাতাই যোগবৰ্দ্ধনশীলভাৱে উপভোগ কৰিব পাৰিব।

২৬.৪ **ঋণ চুক্তিপত্ৰৰ উপকাৰিতা**
এই ঋণ চুক্তিপত্ৰখনৰ পৰা হ'ব পৰা লাভ উভয় পক্ষই তেওঁলোকৰ নিজ নিজ প্ৰতিনিধি/উত্তৰাধিকাৰী সকলৰ সৈতে উপভোগ কৰিব।

২৬.৫ এই ঋণচুক্তিত সন্নিৱিষ্ট কোনো অধিকাৰ/লাভ আদি উপভোগ কৰিবলৈ পলম হ'লে ঋণদাতাৰ অধিকাৰ/লাভ আদি নষ্ট হৈ নেযায়।

২৬.৬ এই চুক্তিমতে ঋণগ্ৰহীতাৰ দায়িত্ব যুটীয়া ও বহুতৰপীয়া হ'ব।

**অনুচ্ছেদ ২৭**
**গ্ৰহণীয়তা**

ঋণগ্ৰহীতাই এইদৰে ঘোষণা কৰে যে ঃ-

২৭.১ তেওঁ এই চুক্তিপত্ৰৰ পৃষ্ঠা সংখ্যা ১ৰ পৰা ৮ লৈকে আৰু তপশীলবোৰ ভালদৰে পঢ়ি বুজি পাইছে। চুক্তিপত্ৰত সন্নিৱিষ্ট সকলো চৰ্ত তেওঁৰ ওপৰত প্ৰযোজ্য হ'ব।

২৭.২ তেওঁ বুজি পোৱা ভাষাত চুক্তিপত্ৰৰ লিখাখিনি তেওঁক ভালদৰে বুজাই দিয়া হৈছে আৰু তেওঁ এইবোৰ কথা ভালদৰে বুজি পোৱা বুলি স্বীকাৰ কৰিছে।

২৭.৩ তেওঁ এই কথা বুজিব পাৰিছে যে ঋণদাতাৰ দ্বাৰা প্ৰাধিকৃত বিষয়াই চহী কৰা দিনৰে পৰা এই চুক্তিৰ চৰ্তসমূহ বলবৎ হ'ব।